1. Name of the Programme : **Axomot loko Sanskritir Chorcha aru Dr. Nabin Chandra Sharma.**

2. Date : **21/06/2022**

3. In connection with observation of ……………… Day (If any) :

4. Organized by : Organised by the Assamese Department of Dhubri Bholanath College and Dhubri Janakristi Samaj and in collaboration with Dhubri Zila Sahitya Sabha.

5. Name of Resource person/judges :
   1. Dr. Molina Devi Rabha, Researcher, Writer and Retired Principal of Bikali College, Dhoopdhara.
   2. Debendranath Sharma, President, Dhubri Janakristi Samaj.
   3. Dr. Upendrajit Sarma, Head of the Department of Assamese, B.N. College, Dhubri.
   4. Tarani Kanta Rai, President, Dhubri Zila Sahitya Sabha.

6. Number of participants/students : 67


7. Name, Class, Roll no of the winners : N/A


8. A brief write up of the programmme (with web snaps/phots):


A lecture programme has been organized the Assamese Department of Dhubri Bholanath College and Dhubri Janakristi Samaj and in collaboration with Dhubri Zila Sahitya Sabha On 21/06/2022, through Google Meet at 4.00 pm on the occasion of the birth anniversary of International Dr. Nabin Chandra Sharma.


Dr. Molina Devi Rabha, Researcher, Writer and Retired Principal of Bikali College, Dhoopdhara delivered a special lecture on 'Axomot loko sanskritir chorcha aru Dr. Nabin chandra sharma'. The programme begins with the vyas ojapali music of Darang artist Mukut Hazarika. Debendranath Sharma, President, Dhubri Janakristi Samaj delivered the welcome address at the programme.

Dhubri Zila Sahitya Sabha secretary Azad Ali Ahmed explained the purpose of the programme and the programme was hosted by Dr. Upendrajit Sarma, HoD, Assamese Department, Dhubri Bholanath College and Magazine editor, Asam Sahitya Sabha. The programme was presided by Dhubri Zila Sahitya Sabha president Tarani Kanta Rai. Dr. Ashomi Gogoi, Majuli's Shankarusiddh Nath, Deeplima Dutta, Nalbari Zila Sahitya Sabha Secretary Pankaj Bezbaruah, Associate Professor of Bholanath College Dr. Alaka Sarma etc. delivered the congratulatory speeches. The meeting concludes with Assam anthem.




# লোক-সংস্কৃতিবিদ, গৱেষক ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন উপলক্ষে বক্তৃতানুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ২১ জুন ঃ** অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ পুৰোধা ব্যক্তি গৱেষক, অসম সাহিত্য সভাৰ সদস্য মহীয়ান সন্মান প্ৰাপক, প্ৰফেছৰ অব্ এমৰিটাৰ্ছ অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মাৰ জন্মদিন উপলক্ষে ধুবুৰী জনকৃষ্টি সমাজৰ উদ্যোগত আৰু ধুবুৰী জিলা সাহিত্য সভাৰ সহাযোগত আজি আবেলি ৪ বজাৰ পৰা গুগল মীট মাধ্যমৰ জৰিয়তে এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমত লোক-সংস্কৃতি চৰ্চা আৰু ড° নবীন চন্দ্ৰ শৰ্মা বিষয়ত বিশেষ বক্তৃতা প্ৰদান কৰি ধূপধৰা বিকালী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° মলিনা দেৱী ৰাভাই কয় যে প্ৰকৃতাৰ্থত ড° নবীন চন্দ্ৰ শৰ্মাই অসমত লোক-সংস্কৃতি চৰ্চাৰ এক সবল ভেটি নিৰ্মাণ কৰিছিল। নবীন চন্দ্ৰ শৰ্মাৰ লোক-সংস্কৃতি চৰ্চাৰ সমলসমূহ বাদ দিলে আমি সংস্কৃতি চৰ্চাত তেনেই দুৰ্বল হৈ যাম। দৰঙৰ শিল্পী মুকুট চন্দ্ৰ হাজৰিকাৰ ব্যাস ওজাপালি সংগীতেৰে অনুষ্ঠানটো আৰম্ভ হয়। আদৰণী ভাষণ প্ৰদান কৰে ধুবুৰী জনকৃষ্টি সমাজৰ সভাপতি দেৱেন্দ্ৰনাথ শৰ্মাই। ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটো সঞ্চালনা কৰে ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। অনুষ্ঠানত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ সভাপতি তৰণীকান্ত ৰায়ে। শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে গৱেষক সাহিত্যিক ড° অসমী গগৈ, মাজুলীৰ যুৱ লেখক শংকুসিদ্ধ নাথ, দীপলিমা দত্ত, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা, ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° অলকা শৰ্মা আদিয়ে। চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক তথা সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঘুনাথ কাগয়ুঙে ঐনিতম পৰিৱেশন আৰু বক্তব্য প্ৰদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° উপমা ডেকাই সংস্কৃত গীত, মিলন দেৱীয়ে বিয়া গীত পৰিৱেশন কৰে। পণ্ডিতগৰাকীৰ সহধৰ্মিণী বাসন্তী দেৱীয়ে আয়োজকসকলক প্ৰশংসা কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ কৰ্ণধাৰৰ সদস্য ডাঃ গিৰীশ সন্দিকৈও উপস্থিত থাকে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।